**2021**

**( Held in 2022 )**

**ASSAMESE**

Paper : ASM–3016

***( Assamese Novel )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *এটা* বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) জন বানিয়ানৰ The Pilgrim's Progress ৰ অসমীয়া অনুবাদ গ্ৰন্থ আকাৰে কোন চনত প্ৰকাশ পাইছিল ?

(খ) ১৮৭৬ চনত ৰচনা কৰা হেমচন্দ্ৰ বৰুৱাৰ ব্যঙ্গাত্মক উপন্যাসধৰ্মী গ্ৰন্থখনৰ নাম উল্লেখ কৰা।

(গ) ৰাস্না বৰুৱাই চাহ বাগিছাৰ বনুৱাসকলৰ জীৱনধাৰাৰ পটভূমিত ৰচনা কৰে 'সেউজী পাতৰ কাহিনী' নামৰ উপন্যাস। এই একেই চাহ বাগিছাৰ জীৱনধাৰাৰ আধাৰত ৰচনা হোৱা আন এখন উপন্যাসৰ নাম উল্লেখ কৰা।

(ঘ) ‘থাম্বা-থোইবীৰ সাধু’ কাৰ ৰচনা ?

(ঙ) মাধৱদেৱৰ জীৱনৰ আধাৰত মেদিনী চৌধুৰীয়ে ‘বণ্ডুকা বেহাৰ’ উপন্যাস ৰচনা কৰে। লক্ষ্মীনন্দন বৰাই মাধৱদেৱৰ জীৱনৰ আধাৰত ৰচনা কৰা উপন্যাসখনৰ নাম উল্লেখ কৰা।

(চ) দেৱেন্দ্ৰনাথ আচাৰ্যৰ মৰণোত্তৰভাৱে গ্ৰন্থাকাৰে প্ৰকাশ পোৱা উপন্যাসখনৰ নাম লিখা।

(ছ) মামণি ৰয়ছম গোস্বামীৰ প্ৰথম উপন্যাসখনৰ নাম উল্লেখ কৰা।

(জ) বেশ্যাবৃত্তিক বিষয়বস্তু হিচাপে লৈ হোমেন বৰগোহাঞিয়ে ৰচনা কৰা উপন্যাসখনৰ নাম লিখা।

(ঝ) ‘দূৰলৈ নাযাবা কাবেৰী’ উপন্যাসখনৰ স্ৰষ্টা কোন ?

(ঞ) “আচলতে কি মই খুব লোভী, স্বাৰ্থপৰ আৰু অতিমাত্ৰাই বিষয়াসক্ত ?” — এই বাক্যটো তোমাৰ পাঠ্যক্ৰমৰ কোনখন উপন্যাসৰ পৰা উদ্ধৃত কৰা হৈছে ?

২। *তিনি-চাৰিটা* বাক্যত উত্তৰ দিয়া : ২×১০=২০

(ক) ৰাজনৈতিক উপন্যাস হিচাপে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ ‘ৰাজপথে ৰিঙিয়াই’ আৰু চন্দ্ৰপ্ৰসাদ শইকিয়াৰ ‘এদিন’ উপন্যাস দুখনৰ মাজত থকা মিল বিচাৰি উলিওৱা।

(খ) ‘মিক্‌চিজিলি’ আৰু ‘চেৰদুকপেন’ — এই উপন্যাসদুখন অসমৰ কোন দুটা জনগোষ্ঠীৰ সমাজ জীৱনৰ আধাৰত ৰচিত ?

(গ) 'যাত্ৰিকৰ যাত্ৰা' (জাত্ৰিকৰ জাত্ৰা) উপন্যাসধৰ্মী গ্ৰন্থখনৰ বিষয়বস্তুৰ আভাস দিয়া।

(ঘ) উত্তৰ আধুনিকতাবাদী উপন্যাসৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) উপন্যাসৰ স্থিৰ আৰু গতিশীল চৰিত্ৰৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

(চ) কল্পবিজ্ঞান উপন্যাসৰ *দুটা* বৈশিষ্ট্য নিৰ্ণয় কৰা।

(ছ) স্বাধীনতাৰ পূৰ্ববৰ্তীকালত প্ৰচলন থকা অসমীয়া উপন্যাসৰ *দুটা* ধাৰাৰ বিষয়ে উল্লেখ কৰা।

(জ) ৰজনীকান্ত বৰদলৈক কিয় অসমীয়া উপন্যাসৰ 'মুকুটবিহ্নী সম্ৰাট' কোৱা হয় ?

(ঝ) দেবেন্দ্ৰনাথ আচাৰ্যৰ উপন্যাসৰ কেইটিমান বৈশিষ্ট্য উল্লেখ কৰা।

(ঞ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনৰ আধাৰত ৰচনা হোৱা *দুখন* উপন্যাসৰ নাম (ঔপন্যাসিকৰ নাম সহ) লিখা।

৩। চমুটোকা লিখা : ৪×৫=২০

(ক) উপন্যাসৰ শিল্পগুণ

(খ) উপন্যাসৰ বিষয়বস্তু আৰু কাহিনী

(গ) ফেন্টাচী আৰু যাদুকৰী বাস্তৱতা

(ঘ) অসমীয়া উপন্যাসত ফ্ৰয়েদীয় মনস্তত্ত্বৰ প্ৰভাৱ

(ঙ) অসমীয়া উপন্যাসৰ ৰচনা ৰীতি।

৪। *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ কৰিবা : ১০×৩=৩০

(ক) 'বণুকা বেহাৰ' উপন্যাসত মাধৱদেৱৰ ব্যক্তিত্ব প্ৰকাশৰ বাবে ঔপন্যাসিকে কি কি কৌশল গ্ৰহণ কৰিছে বিতংকৈ আলোচনা কৰা।

(খ) দেৱব্ৰত দাসৰ 'ধূসৰতাৰ কাব্য' উপন্যাসখনিত উত্তৰ আধুনিকতাবাদী উপন্যাসৰ কি কি বৈশিষ্ট্যৰ প্ৰতিফলন ঘটা বুলি ভাবা আলোচনা কৰা।

(গ) "ৰহদৈ লিগিৰী'ত ঐতিহাসিক বিখ্যাত, অখ্যাত আৰু কুখ্যাত চৰিত্ৰৰ অৱদান বেছি।" — এই মন্তব্যৰ আধাৰত 'ৰহদৈ লিগিৰী' উপন্যাসৰ চৰিত্ৰৰ বৈচিত্ৰ্যতাৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰা।

(ঘ) হোমেন বৰগোহাঞিৰ উপন্যাসৰ বিষয়বস্তুৰ আভাস দিয়া। লগতে 'পিতা-পুত্ৰ' উপন্যাসত মনস্তাত্ত্বিক দিশটোৰ কেনেদৰে প্ৰতিফলন ঘটিছে আলোচনা কৰা।

(ঙ) "এপিনে অস্তিত্ব ৰক্ষাৰ প্ৰাণান্তকৰ সংগ্ৰাম, আনপিনে অন্তৰৰ চিৰন্তন প্ৰেম-প্ৰীতিৰ মানবীয় আবেগ-অনুভূতিৰ বিজয় ঘোষণা — এই দুয়োৰে আৱৰ্ত্তত ৰচিত হৈছে 'জংগম'ৰ ৰসোত্তীৰ্ণ সংবেদনশীল কাহিনী।" — এই মন্তব্যৰ আঁতধৰি 'জংগম' উপন্যাসৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা।

---